No. of Printed Pages—3

448 (AEM 04)

[20–HBGPOW–D3S(O)21A]

BA 3rd Semester (Old) Exam., 2020 (W)

(MIL) ASSAMESE

[BAE M–06]

(অসমীয়া কবিতা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : 1×8=8

(a) 'খিতিতল' মানে কি?

(b) কোনবিধ সাহিত্যক 'ৰোমাঞ্চ' আখ্যা দিয়া হৈছিল?

(c) কোনখন কাব্যক পীতাম্বৰ কবিৰ প্ৰথম ৰচনা বুলি কোৱা হয়?

(d) 'সাগৰতলিৰ শংখ' গ্ৰন্থখন কোনে সম্পাদনা কৰিছে?

(e) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰাজিক প্ৰধানতঃ কেইটা শাখাত ভাগ কৰিব পাৰি?

(f) নলিনীবালা দেৱীয়ে ৰচনা কৰা জীৱনীমূলক গ্ৰন্থ দুখনৰ নাম উল্লেখ কৰক।

(g) বাণ কাৰ ভক্ত আছিল?

(h) 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাটো কবি নীলমণি ফুকনৰ কোনখন কাব্যগ্ৰন্থৰ অন্তৰ্ভুক্ত?

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×8=16

(a) চিত্ৰলেখাই কেনেদৰে ঊষাৰ সপোনোৰ স্বামীক বিচাৰি উলিওয়াত সহায় কৰিছিল?

(b) মুক্তক ছন্দ মানে কি?

(c) পীতাম্বৰ কবিয়ে ৰচনা কৰা কাব্যসমূহৰ উমৈহতীয়া বৈশিষ্ট্যটো বুজাই লিখক।

(d) 'পৰমতৃষ্ণা' কবিতাটোত কবিয়ে যি 'তৃষ্ণা'ক বিষয়বস্তুৰূপে লৈছে তাক 'পৰম' বুলি কিয় অভিহিত কৰিছে?

(e) 'বীণ-ব'ৰাগী' কবিতাটোত ব্যাপ্ত হৈ থকা যি কোনো দুটা ৰোমান্টিক কবিতাৰ লক্ষণ বিচাৰ কৰক।

(f) ''উৰুখা পানীয়ে উটাই নিয়ক মৰা মকৰাৰ খোলা''

'মৰা মকৰাৰ খোলা' প্ৰতীকটোৱে কি অৰ্থ বহন কৰিছে?

(g) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোত চিত্ৰলেখাই মৰ্ত্যৰ কাৰ কাৰ ছবি অংকন কৰিছে, উল্লেখ কৰক।

(h) নীলমণি ফুকনৰ কবিতাত থকা যি কোনো দুটা বৈশিষ্ট্য আলোচনা কৰক।

3. তলৰ প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো ১০০ শব্দৰ ভিতৰত) : 4×5=20

(a) প্ৰসঙ্গ-সঙ্গতিসহ ব্যাখ্যা কৰক :

''জনকৰ জীৱ দেখ নদী মন্দাকিনী।
তোমাৰ সদৃশ সুশোভিত মধ্যক্ষিণী॥
বিদূৰ গমনে যেন মিলিল প্ৰয়াস।
কৃশ ভৈল শৰীৰ ঈষত যেন হাস॥''

(b) ''ব্যাখ্যাহীন শেষ ৰহস্য স্বৰূপ চৈতন্যৰ অস্তিত্ব সম্পৰ্কে হোৱা উপলব্ধিৰ যি তত্ত্ব সেয়েই ৰহস্যবাদ।'' উক্তিটোৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

(c) ''মুক্তক ছন্দৰ প্ৰয়োগ আধুনিক অসমীয়া কবিতাৰ অন্যতম বৈশিষ্ট্য।'' ব্যাখ্যা কৰক।

(d) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোত শ্ৰীকৃষ্ণৰ ৰূপ আৰু গুণৰ বৰ্ণনা কেনেদৰে কৰা হৈছে, আলোচনা কৰক।

(e) দেশপ্ৰেমমূলক কবিতা হিচাপে 'বীণ-ব'ৰাগী' কবিতাটোৰ ভাৱবস্তু ব্যাখ্যা কৰক।

(f) 'পলস' কবিতাটোত আধুনিক কবিতাৰ কোনবোৰ আংগিকগত বৈশিষ্ট্য বিচাৰি পোৱা যায়, আলোচনা কৰক।

4. তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো ৩০০ শব্দৰ ভিতৰত) : 8×2=16

(a) ইংৰাজী Romantic শব্দটোৰ বৰ্তমান অসমীয়া পাৰিভাষিক শব্দটো কি? শব্দটো কোনে নিৰ্মাণ কৰি উলিয়াইছিল? 'ৰোমান্টিছিজম'ৰ সংজ্ঞা নিৰ্ণয় কৰাৰ যত্ন কৰি অসমীয়া সাহিত্যত ইয়াৰ পটভূমি সন্দৰ্ভত চমুকৈ আলোচনা আগবঢ়াওক।

(b) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰাজিৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(c) 'পৰম তৃষ্ণা' কবিতাটোত ৰহস্যবাদী চিন্তাৰ প্ৰকাশ কেনেদৰে ঘটিছে, উদাহৰণসহ আলোচনা কৰক।

5. তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো *৪০০* শব্দৰ ভিতৰত) : 10×2=20

(a) আধুনিক কবিতাৰূপে নীলমণি ফুকনৰ 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাটোৰ এটি মূল্যায়ন কৰক।

(b) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটোত কিদৰে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সুসমন্বয় সাধন হৈছে, উদ্ধৃতিসহ আলোচনা কৰক।

(c) মাধৱ কন্দলীৰ 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটোত প্ৰাকৃতিক সৌন্দৰ্য কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰক।

★ ★ ★